**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
**---------------------**

১। বিগত পাঁচ বছৰত বি টি আৰত হিংসাত্মক পৰিস্থিতি উদ্ভৱ হোৱা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তামুলপুৰত মন্তব্য।

২। গোলাঘাটৰ মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰিবিলত অহা ৮ আগষ্ট উচ্ছেদৰ দিন ধাৰ্য।

৩। গুৱাহাটীৰ লগতে ৰাজ্যৰ ঠাইবিশেষে বিজুলী ধেৰেকনিৰে প্ৰৱল বৰষুণ হ'ব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগজাননী।

৪। কলকাতাৰ বি এছ এফ ইষ্টাৰ্ণ কমাণ্ডৰ অতিৰিক্ত মহাপৰিদৰ্শক মহেশ কুমাৰ আগৰৱালৰ মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যবেক্ষণ।

**আৰু**

৫। অ'ভেলত ৩৭৪ ৰাণৰ জয়ৰ লক্ষ্যৰে খেলি মধ্যাহ্ন বিৰতিলৈ দ্বিতীয় ইনিংছত ইংলেণ্ডৰ তিনিটা উইকেট হেৰুৱাই ১৬৪ ৰাণ সংগ্ৰহ।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাৰ কেইবাটাও পৰিষদীয় সমষ্টিত অনুষ্ঠিত কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰি সমাগত বি টি চি পৰিষদীয় নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিত দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিজেপি চৰকাৰ শাসনত থকালৈ ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰাই বি টি আৰত হিংসাত্মক পৰিস্থিতি উদ্ভৱ হোৱা নাই। বিগত পাঁচ বছৰত বি টি আৰত শান্তিৰ বাতাবৰণ সৃষ্টি কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত প্ৰকাশ কৰে। ড০ শৰ্মাই তামুলপুৰ জিলাত স্বাস্থ্য সেৱা খণ্ডত উল্লেখনীয় পদক্ষেপ হিচাপে অহা বছৰৰ ভিতৰত তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

**বাইটঃ (চি এম)**

ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে বি টি চি পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অহা ৫ আগষ্টত চিৰাঙৰ বিজনীত দুখনকৈ দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে আজি চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ে সভাৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰীবিলত বন বিভাগ আৰু জিলা প্ৰশাসনে অহা ৮ আগষ্টত উচ্ছেদৰ দিন ধাৰ্য কৰাৰ পাছতে জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। সৰুপথাৰত কালি এখন সংবাদমেলত বন বিভাগৰ হৈ প্ৰধান মুখ্য বন সংৰক্ষক এম. কে. যাদৱে কয়, যে অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক অঞ্চলটো খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ শুকুৰবাৰে উকলি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অহা ৬ আগষ্টৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব আৰু ৮ আগষ্টৰ পুৰা উচ্ছেদ চলোৱা হ'ব বুলি তেওঁ কয়। ইতিমধ্যে গাওঁখনৰ প্ৰায় ৮০ শতাংশ লোক নিজ নিজ বয়বস্তু লৈ অন্য ঠাইলৈ ৰাওনা হৈছে। ইপিনে ইয়াৰে প্ৰায় ৪০ টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত কিছু

সময় বিচাৰি আবেদন কৰাৰ পাছত তেওঁলোকৰ বাবে এই সময়সীমা ৭ আগষ্টলৈ বঢ়াই দিয়া হৈছিল। অঞ্চলটোত থাকি যোৱা একাংশ লোকেও এতিয়া সেই স্থান এৰি যোৱাৰ বাবে প্ৰস্তুতি চলাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৭টা পৰিয়াললৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। এই লোকসকলে চৰকাৰী গো-চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকাৰ অভিযোগত ১৫ দিনৰ ভিতৰত তেওঁলোকক আঁতৰি যাবলৈ জাননী দিয়া হৈছে। বিশ্বনাথ জিলাৰ বিস্তীৰ্ণ অঞ্চল দখলকাৰীৰ কবলত আছে বুলি প্ৰশাসনৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। কেৱল বিশ্বনাথ ৰাজহ চক্ৰতে ৪৪ হাজাৰ বিঘা ভূমি দখল হৈ আছে বুলি জানিব পৰা গৈছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনিদিনত গুৱাহাটীৰ লগতে ৰাজ্যৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত গুৱাহাটীত ৭ৰ পৰা ১১ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ লগতে প্ৰতিঘণ্টাত ৪০ৰ ৫০ কিলোমিটাৰ বেগেৰে ধুমুহা বলাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগৰ এই আগজাননী চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দূৰণিবতীয়া যাত্ৰীসকলক বৰষুণৰ সম্ভাৱনালৈ চাই যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু বৃষ্টিপাতৰ সময়ছোৱাত অযথা ঘৰৰ বাহিৰলৈ নোলাবলৈ কোৱা হৈছে। দ' ঠাই আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক বান আৰু ভূমিস্খলনৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। জনসাধাৰণক লগতে বতৰৰ আগলি বতৰা শুনি থাকিবলৈ আৰু বৰষুণৰ সময়ছোৱাত নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা পৰামৰ্শৱলী অনুসৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে স্বাভাৱিক সতৰ্কতাৰ বাবে সময়ে সময়ে শেহতীয়া স্থিতিৰ বিষয়ে জনাব।

ইপিনে বতৰ বিজ্ঞান কেন্দ্ৰই চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা ব্যক্ত কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। ভূমিস্খলনৰ লগতে পাহাৰৰ পৰা নমা পানী ঢলে অসম-অৰুণাচলৰ সীমামূৰীয়া লখিমপুৰ আৰু ধেমাজি জিলাৰ প্ৰতিও ভাবুকি কঢ়িয়াই অনাৰ আশংকালৈ চাই দুয়োখন জিলাতে ৰেড এলাৰ্ট জাৰি কৰা হৈছে।

০০০০০০

কলকাতাৰ বি এছ এফ ইষ্টাৰ্ণ কমাণ্ডৰ অতিৰিক্ত মহাপৰিদৰ্শক মহেশ কুমাৰ আগৰৱালে মণিপুৰৰ সাম্প্ৰতিক নিৰাপত্তা পৰিস্থিতি আৰু অশান্তজৰ্জৰ অঞ্চলত সীমান্ত সুৰক্ষা বাহিনীৰ প্ৰস্তুতি পুনৰীক্ষণ কৰাৰ অন্তত আজি কলকাতালৈ ৰাওনা হৈছে। মণিপুৰ ভ্ৰমণৰ প্ৰথম দিনা অতিৰিক্ত মহাপৰিদৰ্শকগৰাকীয়ে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক সাক্ষাৎ কৰে। পৰৱৰ্তী সময়ত তেওঁ ৰাজ্যৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিং আৰু আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ সিঙৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ থৌবাল জিলাৰ বি এছ এফৰ বিভিন্ন পহৰা চকী পৰিদৰ্শন কৰাৰ লগতে জোৱানসকলৰ সৈতে মত বিনিময় কৰে। অতিৰিক্ত মহাপৰিদৰ্শক শ্ৰীআগৰৱালে কালি বিষ্ণুপুৰ আৰু চুৰাচান্দপুৰৰ বি এছ এফৰ ঘাটি পৰিদৰ্শন কৰে।

০০০০০০

পথ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি নগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদৰ পৰা এটা বাইক সমদল উলিওৱা হয়। নৱ প্ৰজন্মৰ মাজত যান-বাহন আইন তথা পথ সুৰক্ষাৰ সজাগতা সৃষ্টিৰ বাবে আয়োজিত এই বাইক সমদল মুকলি কৰি নগাওঁ-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই মটৰ চাইকেল চ'লোৱাৰ সময়ত সকলোকে হেলমেট পৰিধান কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে যান-বাহন আইন মানি চলি নিজৰ লগতে আনৰো জীৱন ৰক্ষা কৰিবলৈ অনুৰোধ জনায়। জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই এই বাইক সমদলত অংশ লৈ ৰাজপথত মটৰ চাইকেল চলোৱাৰ সময়ত সাৱধানতা অৱলম্বন কৰাৰ লগতে নিজৰ ঘৰ পৰিয়ালৰ কথা চিন্তা কৰিবলৈ আহ্বান জনায়।

বাইট ঃ দেৱাশীষ শৰ্মা

উল্লেখযোগ্য যে এই বাইক সমদলত অংশগ্ৰহণকাৰীসকলে যাত্ৰাপথত জখলাবন্ধাৰ বাছ আস্থানত এখন পথ সজাগতা সভাতো অংশ লয়।

০০০০০০

সংস্কাৰ ভাৰতী উত্তৰ অসম প্ৰান্তৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান আজি পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে উদ্বোধন কৰা এই অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত দ্ৰোন ভূঞাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে সংস্কাৰ ভাৰতী উত্তৰ অসম প্ৰান্তৰ কামৰূপ মহানগৰ জিলা সমিতিয়ে গ্ৰীষ্মকালীন কৰ্মশালাৰ অংশ হিচাপে বিভিন্ন বিদ্যালয়ৰ ভিন ভিন কৰ্মশালাৰ আয়োজন কৰিছিল। এই অনুসৰি হেঙেৰাবাৰী হাইস্কুলত সাধু কথা কোৱা কৰ্মশালা, গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালা, অনুষা কলাকেন্দ্ৰত গোৱালপাৰা লোকগীতৰ কৰ্মশালা, উত্তৰ গুৱাহাটীৰ ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ত-শুকনানি মহিলা ওজাপালি কৰ্মশালা, অনুশুয়া ডান্স একাডেমীত বড়ো লোক নৃত্য আৰু বসুন্ধৰা কলাকেন্দ্ৰত বৰগীতৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই কৰ্মশালাত মুঠ ৩৫৯ গৰাকী ছাত্ৰ -ছাত্ৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। আজিৰ সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

০০০০০০

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ সমাগত সাধাৰণ নিৰ্বাচনক কেন্দ্ৰ কৰি ওদালগুৰি জিলাত অন্যান্য দলৰ লগতে বি পি এফ দলেও সাংগঠনিক তৎপৰতা আৰম্ভ কৰিছে। জিলাখনৰ কলাইগাওঁত মুদৈবৰী যুৱ বি পি এফ দলৰ উদ্যোগত আজি এটা বিশাল বাইক ৰেলী উলিওৱা হয়। বিটিচি নিৰ্বাচনত এইবাৰ বিজেপিয়ে অকলে প্ৰতিদ্বন্দিতা কৰিব বুলি ঘোষণা কৰাৰ পাছতে আজি যুৱ বি পি এফ দলে উলিওৱা বাইক ৰেলী উদ্বোধন কৰি বি পি এফৰ নেতা তথা বিধায়ক দূৰ্গাদাস বড়োৱে বিটিচি চুক্তিৰ আধাৰত গঠিত বিটিচি পৰিষদত হাগ্ৰামা মহিলাৰীৰ অৱদানৰ কথা উল্লেখ কৰে।

০০০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত নিমুৱাত আজি মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰ আৰু বিটিচিৰ কাৰ্যবাহী সদস্য গৌতম দাসে এই আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীৰ উন্নয়ন পুজিৰ ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰি নেতা দুগৰাকীয়ে চিলাৰায়ৰ সাহস আৰু পৰাক্ৰমে অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি যাব বুলি উল্লেখ কৰে।

০০০০০০

ধুবুৰী জিলাৰ বন্ধিহানা আৰক্ষী চকীৰ অন্তৰ্গত চেন্দব্লক গাওঁৰ টিপকাই নদীত আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱাক লৈ অঞ্চলটোত উত্তেজনাই বিৰাজ কৰে। অঞ্চলটোৰ ৰাইজে পানীত ওপঙি থকা মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু এই সংক্ৰান্তত তদন্ত আৰম্ভ কৰিছে।

০০০০০০

বিশ্বনাথ জিলা চিকিৎসালয়ে ২০২৩ বৰ্ষৰ পৰা এই পৰ্যন্ত ৫০০ৰো অধিক সৰ্প দংশনৰ ৰোগীক চিকিৎসা প্ৰদান কৰি সুস্থ কৰিবলৈ সমৰ্থ হৈছে। সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত বিশ্বনাথ জিলা দ্বিতীয় শীৰ্ষস্থানত উপনীত হৈছে। এই উপলক্ষে আজি সৰ্পবান্ধৱ সৌৰভ বৰকটকীয়ে দুষ্প্ৰাপ্য নাগচম্পাৰ এটি গছপুলি জিলা চিকিৎসালয়ক উপহাৰ দিয়ে। জিলা চিকিৎসালয় কৰ্তৃপক্ষই সকলোৰে উপস্থিতিত গছপুলিটো ৰোপন কৰে। অনুষ্ঠানত বিশ্বনাথ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ যোগেন্দ্ৰ চন্দ্ৰ বে', জিলা চিকিৎসালয় অধীক্ষক ডাঃ ৰিপন চেতিয়াকে বহুকেইজন লোক উপস্থিত থাকে।

০০০০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি ওদালগুৰি জিলাৰ পানেৰিত ২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পানেৰি মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক ভৱন উদ্বোধন কৰে। ৰেইনব' আঁচনিৰ অধীনত মহাবিদ্যালয়খনৰ প্ৰশাসনিক ভৱনটো নিৰ্মাণ কৰা হৈছে।

০০০০০০

অসম সাহিত্য সভাৰ গুৱাহাটীৰ কাৰ্যালয়ত লেখিকা অনিতা দেৱীৰ অন্য যাত্ৰা শীৰ্ষক এখন গল্প সংকলন আজি উন্মোচন কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উত্তৰ-পূব অধ্যয়ন বিভাগৰ মুৰব্বী অধ্যাপক ড০ গজেন্দ্ৰ অধিকাৰীয়ে গল্প সংকলনখন উন্মোচন কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মাই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক বন্দিতা ফুকন, সাহিত্যিক তথা সংগীত শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰী, নগাঁও

মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ শৰৎ বৰকটকী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড০ পল্লবী দত্তই ভাষণ প্ৰদান কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱাত সংঘটিত হত্যাকাণ্ডৰে জড়িতৰ অভিযোগত চাৰিজন লোকক বৰবৰুৱা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বৰবৰুৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঋতুৰাজ নাথ আৰু খোৱাং সমজিলাৰ আৰক্ষী বিষয়াৰ তৎপৰতাত চাৰিজন অভিযুক্ত গ্ৰেপ্তাৰ কৰাৰ লগতে নগদ ধন আৰু সোণৰ অলংকাৰ উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে জানিবলৈ দিয়া মতে এই হত্যাকাণ্ডৰে জড়িতৰ দুজন অভিযুক্ত নাবালক আৰু এই ঘটনাত আৰু বহুকেইজন লোক জড়িত আছে। উল্লেখযোগ্য যে যোৱা ২৫ জুলাইত উত্তম গগৈ নামৰ লোকজনক হত্যা কৰি দুৰ্বৃত্তই ধন লুট কৰিছিল।

০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা বাক্সা জিলাৰ লাৱদাংগুৰিত বন্যহস্তীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হৈছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ আক্ৰমণত নবীন নাথ নামৰ লোকজনৰ মৃত্যু হয়।

০০০০০০

বাক্সাৰ শালবাৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কমলাবাৰীত থকা ষ্টেডিয়ামত অনুষ্ঠিত এ ডিভিজন ফুটবল লীগত বাঁহবাৰীৰ মানাস আছাম য়ুথ স্পোৰ্টছ ক্লাবে খিতাপ অৰ্জন কৰিছে। শনিবাৰে বিয়লি অনুষ্ঠিত ফাইনেলত মানাস আছাম য়ুথ স্পোৰ্টছ ক্লাবে কলবাৰী বড়োলেণ্ড স্পোৰ্টছ ক্লাবক টাইব্ৰেকাৰৰ সহায়ত ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ হৈছিল।

০০০০০০

ভাৰতৰ বিৰুদ্ধে অ'ভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টখনৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে দ্বিতীয় ইনিংছত ৩৭৪ ৰাণৰ লক্ষ্যৰে খেলি বাতৰি যুগুতোৱাৰ পৰলৈকে তিনিটা উইকেট হেৰুৱাই ২০৬ ৰাণ সংগ্ৰহ কৰিছে। বৰ্তমান ঘৰুৱা দলটোক জয়ৰ বাবে ১৬৮ ৰাণৰ প্ৰয়োজন আছে। বেন ডাকেটে ৫৪, অধিনায়ক অ'লি পোপে ২৭ ৰাণ কৰি আউট হ'লেও হেৰি ব্ৰুকে আক্ৰমণাত্মক বেটিং প্ৰদৰ্শনেৰে ৬২ আৰু জ' ৰুটে ৪০ ৰাণ কৰি খেলি আছে। দুয়ো চতুৰ্থ উইকেটৰ যুটিত শতাধিক ৰাণ যোগ দি দলক ক্ৰমে জয়ৰ দিশে আগুৱাই লৈ গৈ আছে। ভাৰতৰ হৈ মহম্মদ চিৰাজে দুটা আৰু প্ৰসিদ্ধ কৃষ্ণই এটা উইকেট দখল কৰিছে।

০০০০০০

সমাপ্ত